ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে উৎকোচ প্ৰদানকাৰী আৰু উৎকোচ গ্ৰহণকাৰী উভয়কে অভিশাপ কৰিছে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেখেতে কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে উৎকোচ প্ৰদানকাৰী আৰু উৎকোচ গ্ৰহণকাৰী উভয়কে
অভিশাপ কৰিছে।
[ছহীহ] [(তিৰমিজী, আহমদ)]

উৎকোচ প্ৰদানকাৰী আৰু উৎকোচ গ্ৰহণকাৰী উভয়কে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বদ্দুআ কৰিছে, আৰু আল্লাহৰ ৰহমতৰ পৰা আঁতৰি থকাৰ অভিশাপ কৰিছে। উদাহৰণস্বৰূপে বিচাৰ প্ৰক্ৰিয়াত বিচাৰকক এই উদ্দেশ্যে উৎকোচ প্ৰদান কৰা, যাতে ফয়চালা উৎকোচ প্ৰদানকাৰীৰ পক্ষত হয়।

https://sunnah.global/hadeeth/as/show/64689